অসম বিধান সভা
তৰাচিহ্নীত প্ৰশ্ন নং ঃ **১৫৪**
উত্তৰ দানৰ তাৰিখ ঃ ১৫/০৭/২০২৬
*বিষয়ঃ* **শুক্ৰেশ্বৰ ফুল বজাৰৰ উন্নয়ন**
বিধায়কৰ নাম ঃ শ্ৰী প্ৰকাশ চন্দ্ৰ দাস ঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ফুল খেতিৰ সৈতে জড়িত কৃষকৰ সংখ্যা বিগত চাৰিটা কাৰ্য্যকালত কিমান বৃদ্ধি বা হ্ৰাস পাইছে ?

(খ) এই বিষয়ত অসম চৰকাৰে কিমান ধন ব্যয় কৰিছে ? উৎপাদন, বিক্ৰী আৰু ৰপ্তানিৰ তুলনামূলক তথ্য কি ?

(গ) শুক্ৰেশ্বৰ ফুল বজাৰৰ উন্নয়ন, স্থানান্তৰ বা আধুনিকীকৰণৰ বাবে কি কি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে ? ইয়াৰ বাবে কিমান ধন অনুমোদন আৰু ব্যয় কৰা হৈছে ?

<u>উত্তৰ</u>

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকাদেৱে উত্তৰ দিব ঃ

(ক) কৃষি বিভাগ, অসম আৰু উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসমৰ অধীনত চলি থকা উত্তৰ পূৰ আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান (HMNEH) আঁচনিৰ অধীনত অসমত ফুল খেতিৰ সৈতে জড়িত কৃষকৰ সংখ্যা ২০২২-২৩ বৰ্ষৰ ৩৩৮০ জনৰ পৰা ২০২৫-২৬ চনলৈ চাৰিটা বছৰত ১১,৫৬০ জনলৈ সৰ্বমুঠ ১৪,৯৪০ জনলৈ বৃদ্ধি হৈছে। পৰিশিষ্ট ১ সংলগ্ন কৰা হ'ল।

(খ) কৃষি বিভাগ, অসম আৰু উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসমৰ অধীনত অসমত ফুল খেতিৰ বাবে ২০২২-২৩ বৰ্ষৰ পৰা ২০২৬-২৭ বৰ্ষলৈকে মুঠ ৩৪৫০.৫০ লাখ টকা ব্যয় কৰা হৈছে।

ফুলৰ খেতিয়ে আমাৰ ৰাজ্যত বৰ্তমান সময়ত কৃষকৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু কম পৰিমাণে হ'লেও ফুলৰ খেতি কৰিবলৈ লৈছে। উৎপাদিত ফুলৰ পৰিমাণে ৰাজ্যৰ চাহিদা স্থানীয় বজাৰত ক্ৰয় - বিক্ৰয়েৰে আংশিকভাৱে পূৰণ কৰিবলৈ সক্ষম হৈছে। এতিয়ালৈকে ফুলৰ ৰপ্তানি কৰা হোৱা নাই।

(গ) গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তৰ মতে বিষয়টো তেওঁলোকে বিবেচনা কৰি আছে।

*(পৰিশিষ্ট সমূহ pdf আকাৰে neva.gov.in ত upload কৰা হ'ল)*

**************

Annexure-I

**Dy. No. 9**
**Name of the honorable MLA Sri Prakash Chandra Das**

| Year | Name of the scheme | Name of the Commodity | Quantity (Unit) | Expenditure if any ( Rs. in Lakh) | Beneficiary (in No.) |
|---|---|---|---|---|---|
| 2022-23 | Horticulture Mission for North East and Himalayan States (HMNEH) | Cut Flower | 150 Ha. | 75.00 | 620 |
| | | Cost of planting material & cultivation of Orchid and Anthurium etc. under poly house/shade net house | 2 Ha. | 70.00 | 640 |
| 2023-24 | | Cost of planting material & cultivation of Orchid and Anthurium etc. under poly house/shade net house | 3 Ha. | 105.00 | 748 |
| 2024-25 | | Cut Flowers (Gerbera) | 850 Ha. | 425.00 | 1550 |
| | | Loose Flower (Marigold) | 600 Ha. | 240.00 | 1680 |
| | | Cost of Planting Material & cultivation of Orchid & Anthurium | 25 Ha. | 875.00 | 1455 |
| | | Cultivation of Anthurium under Protected Condition under DAJGUA Scheme | 10 Ha. | 630.00 | 780 |
| 2025-26 | | Cut Flowers - Gerbera | 400 Ha. | 250.00 | 1455 |
| | | Loose Flower - Marigold | 500 Ha. | 125.00 | 1274 |
| | | Bulbose Flower – Tuberose | 200 Ha. | 250.00 | 1358 |
| | | Total - | **2740 Ha.** | **3045.00** | **11560** |